কৰ্ম মোৰ সংস্কৃতি

অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☎: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : তাৰিখ :
*Ref :* *Date* :

**National Science Day observed at Assam Jatiya Bidyalay, Noonmati**

**Guwahati, 28 February, 2019 :** National Science Day was observed today at the premises of Assam Jatiya Bidyalay, Noonmati, Guwahati-20. On this occasion a day-long programme was held at the school. It included a science exhibition along with a state level competition among students from class VIII to X in three categories– science experiment, science model and science project where 177 students of 22 different schools of Assam took part. In the general exhibition students from class V onwards exhibited various models, experiments and projects. The science exhibition was inaugurated by Mr. Khiradhar Baruah, Retd. Professor of the department of Chemistry of Biswanath College and he also released the annual science magazine of the school 'Prabhat'. In his inaugural speech, Mr. Baruah congratulated the AJB family which, he said, stepped into its golden journey. He also wished that 'Prabhat' might find its place in the genre of science literature in future. He reflected on the life of the young C. V. Raman which amazed the students. By emphasizing the importance of 'Scientific literacy' and 'Scientific awareness' he mentioned the motto 'Men for science and science for men'. Mr. Baruah donated a collection of some books authored and edited by himself, to the school library. The programme was anchored by a teacher of the department of science Champak Thakuria and the convenor of the programme was Chyasmita Baishya, senior teacher of the department of science. It is worth mentioning that to mark the 150th year of Mendeleev's Periodic Table, the year 2019 has been proclaimed by the UNO as the International year of the Periodic Table. The occasion came to an end with the prize distribution ceremony. In science experiment category Bitopan Nath and Sujal Bhattacharjee of Maharishi Vidyamandir, Silpukhuri won the first prize, Devaraj Kataki, Aditya Ranjan Nath and Mrinmoy Kakati of Na-Duar Jatiya Bidyalay won the second prize, Prajanya Saikia of Ambikagiri Rai Choudhury Jatiya Bidyalay, Hawajan won the third prize. In project category, Kaustav B. Arya, Ananya Medhi and Bhaswati Choudhury of Assam Jatiya Bidyalay, Noonmati won the first prize, Prachurjya Priyam Rajkhowa and Pallabjyoti Baruah of Ambikagiri Rai Choudhury Jatiya Bidyalay, Hawajan won the second prize and Simanta Pegu of Ambikagiri Rai Choudhury Jatiya Bidyalay, Hawajan won the third prize. In model category Rimjim Das of Little Flower School, Nalbari won the first prize, Kridip Kumar Mudoi and Deba Kamal Hazarika, Maharishi Vidya Mandir, Silpukhuri won the sencond prize and Angshuman Bora and Saurav Kumar Barman of Assam Jatiya Bidyalay won the third prize.

Ghanashyam Medhi

(Ghanashyam Medhi)
Principal
Assam Jatiya Bidyalay
Noonmati, Guwahati

অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020
কৰ্ম মোৰ সংস্কৃতি
☏: 0361-2557921 (Principal)
0361-2654229 (Office)
e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ :
Ref :

তাৰিখ :
Date :

## অসম জাতীয় বিদ্যালয়ত 'ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস' উদ্‌যাপন

**গুৱাহাটী, ২৮ ফেব্ৰুৱাৰি, ২০১৯ :** ভাৰতীয় পদাৰ্থ বিজ্ঞানী ছাৰ চন্দ্ৰশেখৰ ৰেংকটৰামণৰ 'ৰামণ প্ৰক্ৰিয়া' আৱিষ্কাৰৰ মহত্বপূৰ্ণ দিনটোৰ স্মৃতি হিচাপে দেশজুৰি পালন কৰা 'ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস' আজি নুনমাটিৰ অসম জাতীয় বিদ্যালয়তো উদ্‌যাপন কৰা হয়। উল্লেখ্য যে বিশ্ববিখ্যাত ৰসায়নবিদ আৰু আৱিষ্কাৰক মেণ্ডেলিয়েভৰ পৰ্যাবৃত্ত তালিকাৰ ১৫০ বছৰীয়া বৰ্ষপূৰ্তি উপলক্ষে ৰাষ্ট্ৰসংঘৰ শিক্ষা, বিজ্ঞান আৰু সাংস্কৃতিক সংগঠন ইউনেস্ক'ই ২০১৯ বৰ্ষটো 'আন্তৰ্জাতিক পৰ্যাবৃত্ত তালিকা বৰ্ষ' হিচাপে ঘোষণা কৰিছে। বিজ্ঞান দিৱসৰ কাৰ্যসূচীৰ আৰম্ভণিতে অসম জাতীয় বিদ্যালয়ৰ নিষ্ঠাবান কৰ্মচাৰী খুদিৰাম চাংমাৰ মৃত্যুত বিদ্যালয় পৰিয়ালে গভীৰ শোক প্ৰকাশ কৰি এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰে। দিৱসৰ কাৰ্যসূচীত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে বিশ্বনাথ কলেজৰ ৰসায়ন বিজ্ঞান বিভাগৰ প্ৰাক্তন অধ্যাপক তথা জনপ্ৰিয় বিজ্ঞান লিখক ক্ষীৰধৰ বৰুৱা। ভাষণ প্ৰসংগত বিশিষ্ট অতিথি গৰাকীয়ে মানৱ সমাজৰ কল্যাণ সাধনেই বিজ্ঞান শিক্ষাৰ উদ্দেশ্য হোৱা উচিত বুলি উল্লেখ কৰি ছাত্ৰ-ছাত্ৰীৰ মাজত বৈজ্ঞানিক মানসিকতা গঢ়ি তোলাৰ ক্ষেত্ৰত অসম জাতীয় বিদ্যালয়ৰ শলাগ লয়। অতিথি গৰাকীয়ে বিদ্যালয়খনৰ পুথিভঁৰাললৈ তেখেতৰ দ্বাৰা প্ৰণীত এটি কিতাপৰ টোপোলা উপহাৰ হিচাপে আগবঢ়ায়। ক্ষীৰধৰ বৰুৱাই বিজ্ঞান দিৱস উপলক্ষে বিদ্যালয়ৰ পৰা প্ৰকাশিত বাৰ্ষিক পত্ৰিকা 'প্ৰভাত' উন্মোচন কৰাৰ লগতে প্ৰদৰ্শনীৰ দ্বাৰো মুকলি কৰে। বিজ্ঞান দিৱসৰ এই অনুষ্ঠানটিৰ আঁত ধৰে বিদ্যালয়ৰ শিক্ষক চম্পক ঠাকুৰীয়াই। বিজ্ঞান দিৱস উপলক্ষে পঞ্চম শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত বিজ্ঞান বিষয়ক প্ৰদৰ্শনীৰ লগতে অষ্টম, নৱম আৰু দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত বিজ্ঞান পৰীক্ষা, আৰ্হি আৰু প্ৰকল্প এই তিনিটা শিতানত ৰাজ্যিক ভিত্তিত প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিজ্ঞান পৰীক্ষা শিতানত ৰাজ্যিক ভিত্তিত প্ৰথম স্থান লাভ কৰে মহৰ্ষি বিদ্যামন্দিৰ শিলপুখুৰীৰ বিতোপন নাথ আৰু সুজল ভট্টাচাৰ্যই। দ্বিতীয় স্থান লাভ কৰে ন-দুৱাৰ জাতীয় বিদ্যালয়ৰ দেৱৰাজ কটকী, আদিত্য ৰঞ্জন নাথ আৰু মৃন্ময় কাকতিয়ে। তৃতীয় স্থান লাভ কৰে অম্বিকাগিৰী ৰায়চৌধুৰী জাতীয় বিদ্যালয়, হাৰাজানৰ প্ৰাজন্য শইকীয়াই। বিজ্ঞান আৰ্হি শিতানত প্ৰথম পুৰস্কাৰ লাভ কৰে লিটল ফ্লাৱাৰ স্কুল, নলবাৰীৰ ৰিমজিম দাসে। দ্বিতীয় স্থান লাভ কৰে মহৰ্ষি বিদ্যামন্দিৰ শিলপুখুৰীৰ কৃদীপ জ্যোতি মুদৈ আৰু দেৱকমল হাজৰিকাই। এই শিতানত তৃতীয় স্থান লাভ কৰে অসম জাতীয় বিদ্যালয়ৰ অংশুমান বৰা আৰু সৌৰভ কুমাৰ বৰ্মনে। বিজ্ঞান প্ৰকল্প শিতানত প্ৰথম পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয় অসম জাতীয় বিদ্যালয়, নুনমাটিৰ কৌস্তুভ বি আৰ্য্য, অনন্যা মেধি আৰু ভাস্বতী চৌধুৰীয়ে। দ্বিতীয় পুৰস্কাৰ লাভ কৰে অম্বিকাগিৰী ৰায়চৌধুৰী জাতীয় বিদ্যালয়, হাৰাজানৰ প্ৰাচুৰ্য্য প্ৰিয়ম ৰাজখোৱা আৰু পল্লৱজ্যোতি বৰুৱাই। একেটি শিতানতে তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয় অম্বিকাগিৰী ৰায়চৌধুৰী জাতীয় বিদ্যালয়ৰ সীমান্ত পেগুৱে। বিজ্ঞান দিৱসৰ সামগ্ৰিক দায়িত্বত আছিল বিদ্যালয়ৰ বিজ্ঞান বিভাগৰ শিক্ষয়িত্ৰী ছায়াস্মিতা বৈশ্য।

(ঘনশ্যাম মেধি)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০